**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৰাজ্যৰ ৫ সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ পাছতেই অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। কাজিৰঙাৰ ৫ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ এলিভেটেড কৰিড'ৰক ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় চৰকাৰৰ অগ্ৰাধিকাৰ প্ৰকল্প হিচাপে তালিকাভুক্ত।

৩। ৰাজ্যত শেহতীয়াকৈ কেইবাঠাইতো বোমা সদৃশ সামগ্ৰী উদ্ধাৰৰ পাছতেই ৰাজ্যবাসীৰ সুৰক্ষা নিশ্চিত কৰিবলৈ অসম আৰক্ষীৰ বিশেষ ব্যৱস্থা গ্ৰহণ।

৪। আজি ৰাখী বন্ধন। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ এই উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন। **আৰু**

৫। গুৱাহাটীত অনুষ্ঠিত এন টি পি চি ৰাষ্ট্ৰীয় ৰেংকিং আৰ্চাৰী প্ৰতিযোগিতাৰ ছাব জুনিয়ৰৰ ৰিকাৰ্ভ শাখাত অভিজ্ঞান ভট্টাচাৰ্যৰ ব্ৰঞ্জৰ পদক অৰ্জন।

০০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ এসপ্তাহ পাছতেই মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মিৰ্জাত কালি এটা অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে ২ অক্টোবৰৰ পৰা প্ৰতিটো সমষ্টিকে সম জিলা হিচাপে অধিকাৰ দিয়া হ'ব বুলিও ঘোষণা কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে কাজিৰঙাৰ ৫ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ এলিভেটেড কৰিড'ৰক ২০২৪-২৫ বৰ্ষৰ অগ্ৰাধিকাৰ প্ৰকল্প হিচাপে তালিকাভুক্ত কৰে। ২০২৪-২৫ বৰ্ষত ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষই সম্পাদন কৰিবলগীয়া কামৰ তালিকাত ৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ কাজিৰঙা এলিভেটেড কৰিড'ৰক অগ্ৰাধিকাৰ দিয়াৰ কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষই প্ৰস্তুত কৰা কামৰ তালিকাত এই প্ৰকল্পটো অসমৰ পৰা তালিকাভুক্ত হোৱা একমাত্ৰ প্ৰকল্প হিচাপে স্বীকৃতি পাইছে।

০০০০০০

স্বাধীনতা দিৱসৰ দিনা ৰাজ্যৰ ২৪ স্থানত উদ্ধাৰ হোৱা বোমা সদৃশ সামগ্ৰীৰ সন্দৰ্ভত তদন্ত কৰিবলৈ অসম আৰক্ষীয়ে বিশেষ তদন্ত গোট গঠন কৰিছে বুলি আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমিত সিঙে প্ৰকাশ কৰে। এই গোটটোৱে বোমা সদৃশ সামগ্ৰী উদ্ধাৰৰ লগতে সম্পৰ্কীত সকলো দিশ তদন্ত কৰাৰ উপৰিও অসম আৰক্ষীয়ে ৰাজ্যৰ সকলো লোকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড়ত উজনি অসমৰ ৫ জিলাৰ আৰক্ষী অধীক্ষক তথা থানা আৰু আৰক্ষীৰ চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ সৈতে আইন-

শৃংখলা পৰিস্থিতিৰ সন্দৰ্ভত পৰ্যালোচনা বৈঠকত কোনো দুষ্কৃতিকাৰীকে আৰক্ষীয়ে ৰেহাই নিদিয়াৰ লগতে চোৰাংচোৰাৰ ব্যৰ্থতা সন্দৰ্ভত উত্থাপিত অভিযোগৰো তদন্ত কৰিব বুলি আৰক্ষী বিষয়াগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

অসম চৰকাৰে ৰাজ্যখনত ২০২৬ চনৰ ভিতৰত দেশৰ দক্ষতা ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে, অত্যাধুনিক ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ কাম অব্যাহত আছে। ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ দক্ষতা আৰু নিয়োগ যোগ্যতা বৃদ্ধিৰ বাবে চৰকাৰে এই প্ৰচেষ্টা অধিক গতিশীল কৰাৰ লক্ষ্য স্থিৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰে কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ সংখ্যা ২০২২ বৰ্ষৰ ১৩২ৰ পৰা ২০২৬ বৰ্ষত ২৫০ লৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। পূৰ্বে এই প্ৰতিষ্ঠানসমূহত থকা ২৪ হাজাৰ আসনৰ সংখ্যা ২০২৬ বৰ্ষলৈ ৫০ হাজাৰলৈ বৃদ্ধি হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই প্ৰতিষ্ঠানসমূহত নিয়োগ সন্ধানীসকলৰ বাবে কেৰিয়াৰৰ সুবিধা প্ৰদানৰ বাবে হ্ৰস্বকালীন প্ৰশিক্ষণ কাৰ্যসূচীৰ  দিহা কৰা হ'ব বুলিও তেওঁ কয়।

০০০০০০

দেশৰ পদ্ম বঁটাৰে সন্মানিত ৭০ গৰাকীতকৈ অধিক চিকিৎসকে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আবাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ সৈতে জড়িত গোচৰত ব্যক্তিগতভাৱে হস্তক্ষেপ কৰাৰ আহ্বান জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰিছে। চিকিৎসকসকলে পত্ৰত উল্লেখ কৰিছে যে, এনেধৰণৰ অমানুসিক কাৰ্যই চিকিৎসা সেৱাৰ আন্তঃগাঁথনিক জোকাৰি যায়। তেওঁলোকে লগতে এনে দুষ্কাৰ্য, বিশেষকৈ মহিলা, কিশোৰী তথা স্বাস্থ্যকৰ্মীসকলৰ বিৰুদ্ধে সংঘটিত অপৰাধ নিৰ্মূল কৰাৰ তাৎক্ষণিক প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে। চিকিৎসকসকলে এনে ধৰণৰ কাৰ্য যাতে পুনৰ সংঘটিত নহয় তাৰ বাবেও শক্তিশালী ব্যৱস্থা গঢ়ি তোলাৰ বাবেও প্ৰধানমন্ত্ৰীলৈ আহ্বান জনায়। তেওঁলোকে লগতে বিধি বলৱৎকাৰী সংস্থা, নীতি নিৰ্মাতাসকল তথা সমাজক এইক্ষেত্ৰত তাৎক্ষণিক আৰু নিৰ্নায়ক ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইফালে এই ঘটনাৰ পাছতে পশ্চিমবংগৰ ৰাজ্যপাল চি ভি আনন্দ বোসে ৰাজ্যখনৰ সকলো চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ লগতে মহিলা চিকিৎসক আৰু নাৰ্চসকলৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে কৰ্তৃপক্ষক নিৰ্দেশ দিছে। আনহাতে এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ন্যায়ৰ দাবী জনাই কালি কলকাতাৰ তিনিটা উল্লেখনীয় ফুটবল ক্লাব ক্ৰমে মোহন বাগান, ইষ্ট বেংগল আৰু মহম্মদান স্পোৰ্টিং ক্লাবৰ হাজাৰ হাজাৰ ফুটবল প্ৰেমীয়ে চল্টলেক ষ্টেডিয়ামৰ বাহিৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

ইপিনে এই ঘটনাৰ পাছতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কৰ্তৃপক্ষই সুৰক্ষাৰ দিশত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অনুষ্ঠানটোৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্যই জাৰি কৰা এখন নিৰ্দেশনা অনুসৰি নিশা কৰ্তব্যত নিয়োজিত মহিলা চিকিৎসকলৰ বাবে জি এম চি এইচৰ কেজুৱেলিটি বিভাগত বিশেষ বাহনৰ ব্যৱস্থা থাকিব। মূল হাস্পতাল চৌহদ, ছুপাৰ স্পেচিয়েলিটী হাস্পতাল, চি এন চেণ্টাৰ আৰু ৩ নম্বৰ ছাত্ৰাবাসলৈ অহা-যোৱা কৰাৰ বাবে কৰ্তব্যৰত চিকিৎসকসকলে দায়িত্বত থকা কেজুৱেলিটি বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। কেজুৱেলিটি বিষয়াই কৰ্তব্যৰত মহিলা চিকিৎসকৰ বাবে বাহনৰ ব্যৱস্থা কৰাৰ লগতে এগৰাকী মহিলা সুৰক্ষা কৰ্মী থকাটো নিশ্চিত কৰিব।

আন এটা নিৰ্দেশনা অনুযায়ী ৰোগীৰ সৈতে অহা ৰেড কাৰ্ড থকা পৰিয়ালৰ সদস্যৰ বাহিৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত সন্ধিয়া ৬ বজাৰ পাছত আন লোকৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। নিৰ্দেশনাত উল্লেখ কৰা মতে চৌহদৰ পৰা অকৰ্তৃত্বশীলভাৱে থকা লোকসকলক আঁতৰাই পঠোৱাৰ বাবে সুৰক্ষাৰ দায়িত্বত থকা বিষয়াজন দায়বদ্ধ হ'ব। এইক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে বিষয়াজনে ভঙাগড় আৰক্ষীৰ সহায় ল'ব পাৰিব। ইয়াৰ উপৰি সকলো গৃহৰক্ষী জোৱান, ব্যক্তিগত সুৰক্ষা কৰ্মী আৰু নিৰ্মাণ শ্ৰমিকে সন্ধিয়া ৬ বজাৰ পাছত পৰিচয় পত্ৰ পিন্ধিব লাগিব বুলিও নিৰ্দেশনাটোত প্ৰকাশ কৰা হৈছে।

০০০০০০

আজি ৰাখী বন্ধন। ভাতৃ-ভগ্নীৰ মাজৰ বিশেষ বন্ধনক পালন কৰাৰ এই উৎসৱ আজি সমগ্ৰ দেশতে পালন কৰা হ'ব। এই উৎসৱত ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙৰ ৰাখী বান্ধি তেওঁলোকৰ সু-স্বাস্থ্য আৰু সমৃদ্ধিৰ হকে প্ৰাৰ্থনা জনায়। ইয়াৰ বিনিময়ত ভাতৃয়ে ভগ্নীৰ সুৰক্ষা আৰু সমৰ্থনৰ শপত লৈ তেওঁলোকক উপহাৰ প্ৰদান কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাখী বন্ধন উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয় যে, ৰাখী বন্ধন হৈছে ভাই-ভনীসকলৰ মাজত অনন্য বন্ধনৰ এক উৎসৱ, যি প্ৰেম আৰু পাৰস্পৰিক বিশ্বাসক শক্তিশালী কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, এই উৎসৱ হৈছে ধৰ্মীয় আৰু সাংস্কৃতিক সীমাৰ উৰ্ধত দেশৰ অনৈক্যৰ মাজত ঐক্যৰ প্ৰতীক। তেওঁ লগতে এই উৎসৱে মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ সংকল্পক অধিক শক্তিশালী কৰে বুলিও উল্লেখ কৰে।

অসমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই ৰাখী বন্ধন উপলক্ষে জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে এই উৎসৱে আমাৰ জীৱনত বিশেষ গুৰুত্ব বহন কৰাৰ লগতে জনসাধাৰণক প্ৰেম, বিশ্বাস আৰু সমন্বয়ৰ এনাজৰীৰে বান্ধি ৰাখে। এই উৎসৱে ভাতৃ-ভগ্নীৰ সম্পৰ্কক অধিক শকিশালী আৰু সুন্দৰ কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

দেশত মাংকিপক্স ৰোগৰ প্ৰাদুৰ্ভাৱৰ পৰা ৰক্ষা পাবৰ বাবে গ্ৰহণ কৰা বিভিন্ন প্ৰস্তুতি সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ মুখ্য সচিব ড০ পি কে মিশ্ৰৰ অধ্যক্ষতাত কালি এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জনস্বাস্থ্য উপায় সম্পৰ্কীয় বিষয়সমূহতো আলোচনা কৰা হয়। বৈঠকত মুখ্য সচিবগৰাকীয়ে এই ৰোগৰ তাৎক্ষণিকভাৱে ধৰা পেলাব পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰীক্ষণ ব্যৱস্থা বৃদ্ধি কৰিবলৈ ৰাজ্যসমূহক নিৰ্দেশ দিয়ে। তেওঁ লগতে আগতীয়াকৈ এই ৰোগ ধৰা পেলাবপৰাকৈ পৰীক্ষাগাৰসমূহক অধিক সূক্ষ্ম আৰু বিস্তৃতভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, দেশত বৰ্তমান এই ৰোগৰ পৰীক্ষণ কৰিব পৰা ৩২টা পৰীক্ষাগাৰ আছে। শ্ৰীমিশ্ৰই কয় যে, এই ৰোগৰ প্ৰতিৰোধ আৰু চিকিৎসা সন্দৰ্ভত ব্যাপকভাৱে জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা উচিত। তেওঁ মাংকিপক্সৰ লক্ষণ আৰু প্ৰতিৰোধ সন্দৰ্ভত স্বাস্থ্যকৰ্মীসকলৰ মাজত সজাগতা বৃদ্ধি কৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে।

উল্লেখযোগ্য যে, দেশত এতিয়ালৈকে মাংকিপক্স ৰোগত কোনো লোক আক্ৰান্ত হোৱা নাই আৰু ব্যাপক হাৰত এই ৰোগত আক্ৰান্ত হোৱাৰ আশংকাও অতি কম। এই ৰোগত আক্ৰান্ত লোকৰ শৰীৰত জ্বৰ, ডিঙিৰ সুৰসুৰনি, ডিঙিৰ গ্ৰন্থি ফুলা, ছাল ৰঙা পৰা, ককালৰ বিষ আদি লক্ষণে দেখা দিয়ে। সাধাৰণতে ইয়াৰ সংক্ৰমণ

২ৰ পৰা ৪ সপ্তাহলৈ থাকে আৰু চিকিৎসাৰ জৰিয়তে ইয়াৰ পৰা আৰোগ্য লাভ কৰিব পাৰি। দীঘলীয়া সময় ধৰি সংক্ৰমিত যিকোনো লোকৰ সংস্পৰ্শলৈ আহিলে এই ৰোগ বিয়পিব পাৰে। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা অনুসৰি ২০২২ চনৰ পৰা এই ৰোগত ১১৬ খন দেশৰ ৯৯ হাজাৰতকৈ অধিক লোক আক্ৰান্ত হোৱাৰ বিপৰীতে ২০৮ জন লোকৰ মৃত্যু হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য্য কাৰণবশতঃ পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকলৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ্-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০

অসম সংগ্ৰহালয় সঞ্চালকালয়ে বিশ্ব ফটোগ্ৰাফী  দিৱস উপলক্ষে অসম ৰাজ্যিক সংগ্ৰহালয়ত আজি এখন বিশেষ প্ৰদৰ্শনীৰ আয়োজন কৰিছে। A saga in pictorials, resonance from the past শীৰ্ষক এই প্ৰদৰ্শনী অহা ৩০ চেপ্তেম্বৰলৈ চলিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই প্ৰদৰ্শনী আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই প্ৰদৰ্শনী সোমবাৰ আৰু ৰাজহুৱা  বন্ধৰ  বাহিৰে প্ৰতি দিনে পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ জনসাধাৰণৰ বাবে মুকলি থাকিব।

০০০০০০

গুৱাহাটীৰ ৰাধাগোবিন্দ ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামত অসম আৰ্চাৰী সন্থাৰ উদ্যোগত অনুষ্ঠিত ল'ৰা আৰু ছোৱালীৰ প্ৰথম এন টি পি চি ৰাষ্ট্ৰীয় ৰেংকিং আৰ্চাৰী প্ৰতিযোগিতাৰ ছাব জুনিয়ৰৰ ৰিকাৰ্ভ শাখাত অসমৰ অভিজ্ঞান ভট্টাচাৰ্যই ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে আজি সামৰণি পৰিবলগীয়া প্ৰতিযোগিতাখনত ছাব জুনিয়ৰ ৰিকাৰ্ভ আৰু কম্পাউণ্ড শাখাৰ ল'ৰা-ছোৱালী উভয়ৰে প্ৰি-কোৱাৰ্টাৰৰ পৰা আৰম্ভ কৰা খেল পদক নিৰ্ণয় খেল অনুষ্ঠিত হৈ যদিও উভয় শাখাতে অসমৰ ৫ গৰাকী খেলুৱৈয়ে অন্তিম ১৬ লৈ যোগ্যতা অৰ্জন কৰে যদিও কেৱল অভিজ্ঞান ভট্টাচাৰ্যই সফলতা লাভ কৰিবলৈ সক্ষম হয়।

০০০০০০

কোকৰাঝাৰ ছাই ষ্টেডিয়ামত পৰহিলৈ ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব। দিনৰ ৪ বজাত অনুষ্ঠিত হ'বলগীয়া খেলখনত গ্ৰুপ ইৰ চেম্পিয়ন তথা আই এছ এলৰ গুৱাহাটীৰ দল নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে গ্ৰুপ বিৰ চেম্পিয়ন তথা প্ৰতিযোগিতাৰ আয়োজক ভাৰতীয় সেনাৰ ফুটবল দলৰ বিৰুদ্ধে খেলিব। উল্লেখযোগ্য যে এছিয়াৰ আটাইতকৈ পুৰণি তথা বিশ্বৰ তৃতীয় পুৰণি ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ গ্ৰুপ লীগৰ খেলসমূহৰ অন্তত ৮ টা দলে কোৱাৰ্টাৰ ফাইনেল খেলিব। ভাৰতীয় সেনাই আয়োজন কৰা প্ৰতিযোগিতাখনত এইবাৰ ২৪ টা দলে অংশগ্ৰহণ কৰিছিল। কোকৰাঝাৰত হ'বলগীয়া খেলখনৰ উপৰি ২১ আগষ্টত শ্বিলঙত আন এখন কোৱাৰ্টাৰ ফাইনেলত গ্ৰুপ এফৰ চেম্পিয়ন শ্বিলং লাজং এফ চিয়ে ইষ্ট বেংগল এফ চিৰ মুখামুখি হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ৩১ আগষ্টত অনুষ্ঠিত হ'ব।

০০০০০০

মূল্যবৃদ্ধি, টোল সংগ্ৰহেৰে ৰিং ৰোড প্ৰকল্প নিৰ্মাণ, গহপুৰ, নুমলিগড় সুৰংগ পথৰ ডি পি আৰ প্ৰস্তুত, উপ-নিৰ্বাচনৰ পাছতে মন্ত্ৰীসভাৰ ৰদবদল আদি বিভিন্ন ধৰণৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

লোকসভা নিৰ্বাচনৰ পিছতে ৰাজ্যত চাউল, আলু, দাইলকে ধৰি অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধি হোৱাৰ বাতৰি আজি **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

গুৱাহাটীৰ বহু চৰ্চিত ৰিং ৰোড প্ৰকল্প ৰাজহুৱা আৰু ব্যক্তিগত সহযোগিতাৰেহে নিৰ্মাণ কৰা হ'ব। ইতিমধ্যে কেন্দ্ৰীয় কেবিনেটে এই ক্ষেত্ৰত অনুমোদন দিছে। এই বাতৰিটো দৈনিক অসম কাকতে ৰিং ৰোডত উঠিলেই ভৰিব লাগিব ধন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

গহপুৰ, নুমলিগড় সংযোগী সুৰংগ পথৰ কামকাজ অহা বৰ্ষৰ পৰা আৰম্ভ হ'ব। লুইবাৰ্জাৰে ইতিমধ্যে প্ৰস্তুত কৰা ডি পি আৰত ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ৰ পথ পৰিবন বিভাগে অনুমোদন জনাইছে। এই বাতৰিটো আমাৰ অসম কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

বৰপেটাত সন্দেহযুক্ত নাগৰিকে থলুৱা ব্যক্তিক আক্ৰমণ কৰাৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আনহাতে কাৰ অধীনত গুজৰাটত ১৮৮ জন পাকিস্তানী হিন্দুক নাগৰিকত্ব প্ৰদান কৰাৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে  গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যত উপ-নিৰ্বাচনৰ পাছতে মন্ত্ৰীসভাৰ ব্যাপক সম্প্ৰসাৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। মন্ত্ৰীসভাৰ ৰদবদলৰ আগেপাছে বিজেপিৰ সভাপতি, বিধানসভাৰ অধ্যক্ষৰ সালসলনিৰ সম্ভাৱনাৰ কথাও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। এই বাতৰিটো অসমীয়া খবৰ কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

কেন্দ্ৰই কাজিৰঙা এলিভেটেড কৰিড'ৰৰ বাবে পাঁচ হাজাৰ ৫০০ কোটিৰ প্ৰকল্প ব্যায় নিৰ্ধাৰণ কৰাৰ এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কলকাতাৰ ধৰ্ষণ হত্যাৰ ঘটনাৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে নিজাববীয়াকৈ গোচৰ লোৱাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে  মুখ্য বাতৰিৰ স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে –

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত